**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-08-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**-------------------**

০০০০০০

১। বিটিচিত জনজাতি, কোচ, কলিতা, ৰাভা সকলোৱে ভূমিৰ অধিকাৰ পাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। উৰিয়ামঘাটৰ নামবৰ দক্ষিণ সংৰক্ষিত বনাঞ্চলত ৩৫০ টাতকৈ অধিক পৰিয়ালক উচ্ছেদ, এহেজাৰ বিঘা ভূমি বেদখলমুক্ত,

৩। ১ অক্টোবৰৰ পৰা ৰেচনকাৰ্ডৰ গৰাকীয়ে ৰাজ সাহায্যযুক্ত নিমখ, মচুৰ দাইল আৰু চেনি লাভ কৰিব বুলি মন্ত্ৰী কৌশিক ৰায়ৰ মন্তব্য।

৪। গুৱাহাটীৰ সংৰক্ষিত বনাঞ্চলত দখলকাৰীৰ কৱলত থকা চাৰি হাজাৰ ২৪০ হেক্টৰ ভূমি ২০২৬ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত চৰকাৰক দখলমুক্ত কৰিবলৈ ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ নিৰ্দেশ। **আৰু**

৫। অ'ভেল টেষ্ট পেণ্ডুলাম সদৃশ স্থিতিত। জয়লাভৰ বাবে ইংলেণ্ডক ৪ উইকেটত ৩৫ ৰান, ভাৰতক প্ৰয়োজন অন্তিম চাৰিটা উইকেট।

০০০০০০

বিটিচিত জনজাতি, কোচ, কলিতা, ৰাভা সকলোৱে ভূমিৰ অধিকাৰ পাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ঘোষণা কৰিছে। তামুলপুৰ জিলাৰ কেইবাটাও পৰিষদীয় সমষ্টিত অনুষ্ঠিত কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰি সমাগত বি টি চি পৰিষদীয় নিৰ্বাচনৰ কুচকাৱাজ চলাই কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিজেপিয়ে এইবাৰ বিটিআৰ চৰকাৰ গঠন কৰি এখন নতুন বিটিআৰ গঢ় দিব। সকলো জাতি-জনগোষ্ঠীৰ সমিলমিলেৰে এখন সুস্থ বিটিআৰ গঠন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

**ৰাইট (চি এম)**

আনহাতে ড০ শৰ্মাই দৰঙাজুলি, নাগ্ৰীজুলি আৰু শুক্লাই চেৰফাং পৰিষদীয় সমষ্টিত দলীয় কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰি কেইবাটাও বিষয়ত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। বিজেপি চৰকাৰ শাসনত থকালৈ ৰাজ্যত অবৈধভাৱে দখলীকৃত ভূমিত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলি তেওঁ মন্তব্য কৰে। বিগত পাঁচ বছৰত বিটিআৰত শান্তিৰ বাতাবৰণ সৃষ্টি কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে। ড০ শৰ্মাই তামুলপুৰ জিলাত স্বাস্থ্য সেৱা খণ্ডত উল্লেখনীয় পদক্ষেপ হিচাপে অহা বছৰৰ ভিতৰত তামুলপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হ'ব বুলি প্ৰকাশ কৰে। ইউ পি পি এল আৰু বিপিএফৰ একত্ৰীকৰণ হোৱাটো তেওঁ মনে প্ৰাণে বিচাৰে বুলি উল্লেখ কৰি দুয়োটা দল একত্ৰিত হ'লে বড়ো ৰাইজ যথেষ্ট উপকৃত হ'ব।

০০০০০০

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযানৰ পাছত গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগে কালি সৰু পথাৰৰ নামবৰ দক্ষিণ সংৰক্ষিত বনাঞ্চলৰ কিছু অংশত উচ্ছেদ চলায়। কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু নাগালেণ্ড চৰকাৰৰ সহযোগত কালি গেলাজান আৰু ৩ নম্বৰ ৰজা পুখুৰীৰ অবৈধভাৱে দখলীকৃত বনভূমিত শান্তিপূৰ্ণভাৱে উচ্ছেদ অভিযান সম্পন্ন হয়। অভিযানত ৩৫০টাতকৈ অধিক পৰিয়াল উচ্ছেদ কৰি প্ৰায় এহেজাৰ বিঘা সংৰক্ষিত বনভূমি পুনৰুদ্ধাৰ কৰা হয়।

ইপিনে, মেৰাপানীৰ দৈয়াং সংৰক্ষিত বনাঞ্চলৰ নেঘেৰীবিলত অহা ৮ আগষ্টত উচ্ছেদ অভিযানৰ বাবে বন বিভাগ আৰু জিলা প্ৰশাসন তৎপৰ হৈ পৰিছে। অঞ্চলটোত অবৈধভাৱে বসবাস কৰি থকা প্ৰায় ২০৫টা পৰিয়ালক ঘৰ খালী কৰাৰ বাবে জাৰি কৰা জাননীৰ ম্যাদ যোৱা শুকুৰবাৰে উকলি যোৱাত প্ৰশাসনে পৰহিলৈৰ পৰা উচ্ছেদ অভিযানৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰিব আৰু ৮ আগষ্টৰ পুৱা উচ্ছেদ চলাব। ইয়াৰ জৰিয়তে প্ৰায় ৩৫০ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। ইতিমধ্যে গাওঁখনৰ প্ৰায় ৮০ শতাংশ লোক নিজ নিজ বয়বস্তু হৈ অন্য ঠাইলৈ ৰাওনা হৈছে। ইয়াৰে প্ৰায় ৪০ টা পৰিয়ালে গুৱাহাটী উচ্চ ন্যায়ালয়ত কিছু সময় বিচাৰি আবেদন কৰাৰ পাছত তেওঁলোকৰ বাবে এই সময়সীমা ৭ আগষ্টলৈ বঢ়াই দিয়া হৈছিল। অঞ্চলটোত থাকি যোৱা একাংশ লোকেও এতিয়া সেই স্থান এৰি যোৱাৰ বাবে প্ৰস্তুতি চলাইছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

ইফালে, বিশ্বনাথ জিলা প্ৰশাসনেও জিলাখনৰ ননকে জাপৰিগুৰিৰ ৩০৭টা পৰিয়াললৈ উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছে। চৰকাৰী গো-চৰণীয়া পথাৰৰ ভূমি দখল কৰি থকা এই লোকসকলক ১৫ দিনৰ ভিতৰত সেই ঠাই ত্যাগ কৰিবলৈ জাননী দিয়া হৈছে।

০০০০০০

ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে গুৱাহাটীৰ সংৰক্ষিত বনাঞ্চলত দখলকাৰীৰ কৱলত থকা প্ৰায় চাৰি হাজাৰ ২৪০ হেক্টৰ ভূমি ২০২৬ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত দখলমুক্ত কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে বন বিভাগৰ প্ৰধান মুখ্য বন সংৰক্ষকে গুৱাহাটীৰ সংৰক্ষিত বনাঞ্চলসমূহৰ বৃহৎ পৰিমাণৰ ভূমি দখলকাৰীৰ কৱলত আছে বুলি ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণত প্ৰতিবেদন দাখিল কৰিছিল। প্ৰতিবেদনত উল্লেখ কৰা মতে কামৰূপ মহানগৰ জিলাৰ ১২ খন সংৰক্ষিত বনাঞ্চলৰ ৮ খনৰ বৃহৎ পৰিমাণৰ ভূমি অবৈধভাৱে দখল কৰা হৈছে। ইয়াৰ ভিতৰত ফটাশিল, দক্ষিণ কালাপাহাৰ, গোটানগৰ, হেঙেৰাবাৰী, গড়ভাঙা, মাৰাকদোলা, পশ্চিম এপ্ৰিকোলা আৰু মতাপাহাৰ সংৰক্ষিত বনাঞ্চল আছে। অৱশ্যে বন বিভাগে এই বনাঞ্চলসমূহত বাস কৰা থলুৱা লোকসকলক বাদ দি দখলিকৃত ভূমিৰ পৰিমাণ নিৰ্ধাৰণ কৰি ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ সবিশেষ তথ্য দাখিল কৰিছে। ৰাজ্য চৰকাৰে উচ্ছেদৰ প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ কৰিছে। ইতিমধ্যে মালিগাঁৱৰ আদিংগিৰি পাহাৰত থকা ফটাশিল সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত অঞ্চলত উচ্ছেদৰ জাননী জাৰি কৰা হৈছে।

০০০০০০

পহিলা অক্টোবৰৰ পৰা ৰাজ্যৰ ৰেচন কাৰ্ডৰ গৰাকীসকলে ৰাজ সাহায্যযুক্ত নিমখ, মচুৰ দাইল আৰু চেনি লাভ কৰিব বুলি মন্ত্ৰী কৌশিক ৰায়ে ঘোষণা কৰিছে। কোকৰাঝাৰ চহৰৰ সমীপৰ বডোফা সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অন্তৰ্গত সকলো সুলভ মূল্যৰ দোকানী আৰু গাঁও পঞ্চায়ত সমবায় সমিতিৰ সৈতে অনুষ্ঠিত বিভাগীয় সজাগতামূলক সন্মিলনত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰিছে। বিভাগীয় মন্ত্ৰী কৌশিক ৰায়ে সজাগতা সন্মিলনত কয়, যে ৰেচন কাৰ্ডৰ গৰাকীয়ে

ৰাজ সাহায্যযুক্ত প্ৰতিকিলোগ্ৰাম মচুৰ দাইল ৬৯ টকাত, চেনি ৩৮ টকাত আৰু নিমখ ১০ টকাত লাভ কৰিব। এই ১ অক্টোবৰৰ পৰা ১০ খন জিলাত আৰু ১ নৱেম্বৰৰ পৰা ২৫ খন জিলাত এই আঁচনি কাৰ্যকৰী হ'ব। ইয়াৰ ফলত ৰাজ্যৰ ২ কোটি ৪৫ লাখ হিতাধিকাৰী উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সদৰি কৰিছে।

oooooo

বিজেপি চৰকাৰে বৃহৎ কৰ্পোৰেট গোষ্ঠীৰ হৃকে কাম কৰে বুলি অভিযোগ কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে ৰাজ্যৰ জনসাধাৰণে ২০২৬ৰ বিধানসভা নিৰ্বাচনত পুনৰ পুৰণি দলটো শাসনলৈ অহালৈ বাট চাইছে বুলি মন্তব্য কৰে। গুৱাহাটীত অনুষ্ঠিত অসম প্ৰদেশ কংগ্ৰেছৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীগগৈয়ে এইদৰে কয়। তেওঁ লগতে বিজেপিৰ চৰকাৰে অসমৰ জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰাত ব্যৰ্থ হৈছে বুলিও অভিযোগ কৰে। অহা ছেপ্তেম্বৰৰ পৰা কংগ্ৰেছে সমগ্ৰ ৰাজ্যতে শক্তিশালী ৰূপত সাংগঠনিক কাম-কাজ আৰম্ভ কৰিব বুলি উল্লেখ কৰি তেওঁ লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী আকৌ এবাৰ অসমলৈ আহিবলৈ সাজু হৈছে বুলি প্ৰকাশ কৰে। শ্ৰীগগৈয়ে লগতে অহা ১৫ আগষ্টত কংগ্ৰেছে জিলা আৰু খণ্ড পৰ্যায়ত ত্ৰিৰংগ যাত্ৰা কৰিব বুলিও জানিবলৈ দিয়ে।

কালিৰ সভাত নিখিল ভাৰত কংগ্ৰেছ, অসমৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং, সম্পাদক পৃথ্বিৰাজ সাথেকে ধৰি কংগ্ৰেছৰ অন্যান্য নেতাসকল উপস্থিত থাকে। এই কাৰ্যনিৰ্বাহক সভাত অসমৰ আটাইকেইখন জিলাৰ সভাপতি আৰু অন্যান্য নেতা-কৰ্মীসকলৰ সৈতে বিভিন্ন বিষয়ত আলোচনা কৰা হয়। বৈঠকত বিশেষকৈ অসমৰ থলুৱা আৰু খিলঞ্জীয়া লোকৰ অধিকাৰ আৰু স্বাৰ্থৰ সুৰক্ষা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয় বুলি শ্ৰীগগৈয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

oooooo

বিশিষ্ট লেখিকা, অনুবাদক তথা শিক্ষাবিদ গীতা উপাধ্যায়ক  ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰীয়ে কালি তেওঁৰ তেজপুৰৰ বাসগৃহত সাক্ষাৎ কৰি ২০২৫ বৰ্ষৰ পদ্মশ্ৰী বঁটা অৰ্পণ কৰে। উল্লেখযোগ্য যে যোৱা মে'ত ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত পদ্ম বঁটা প্ৰদান অনুষ্ঠানত স্বাস্থ্যজনিত কাৰণত সাহিত্যিকগৰাকী উপস্থিত থাকিব পৰা নাছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত শৰ্মাৰ নিৰ্দেশ অনুসৰি মন্ত্ৰী ডাঃ ৰণোজ পেগু, চন্দ্ৰমোহন পাটোৱাৰী, অশোক সিংহল আৰু তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই শ্ৰীমতী উপাধ্যায়ৰ হাতত পদ্মশ্ৰী বঁটা অৰ্পণ কৰে। অসমীয়া আৰু নেপালী সাহিত্যৰ লগতে অনুবাদ সাহিত্যত অনন্য অৱদান আগবঢ়াই যোৱা বিশিষ্ট সাহিত্যিকগৰাকীৰ প্ৰজ্ঞা, চিন্তাশীলতা আৰু মৌলিক ৰচনাৰাজিয়ে অসম তথা দেশৰ বৌদ্ধিক জগতত বিশেষ অৰিহণা যোগাইছে।

oooooo

স্বাধীনতা দিৱসৰ পূৰ্বে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। যোৱা বছৰ স্বাধীনতা দিৱসত ৰাজ্যৰ বিভিন্ন স্থানত ২২টাকৈ আই ডি উদ্ধাৰ হোৱাৰ পাছত এইবাৰ যাতে উগ্ৰপন্থী সংগঠনে কোনোধৰণৰ কূটাঘাতমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে পূৰ্বৰে পৰা সতৰ্কতা অৱলম্বন কৰিছে। গুৱাহাটী মহানগৰ আৰক্ষীয়ে গুৱাহাটী পৌৰ নিগমৰ সৈতে বিভিন্ন স্থানত পদপথৰ দোকান উচ্ছেদ কৰিছে। তদুপৰি পদপথৰ দোকানসমূহৰ আৱৰ্জনাত যাতে উগ্ৰপন্থীয়ে বোমা সংস্থাপন কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি আৱৰ্জনা আঁতৰোৱাৰ ব্যৱস্থা কৰিছে। উজনি অসমৰ বিভিন্ন স্থানতো আৰক্ষীয়ে উগ্ৰপন্থীৰ কূটাঘাত ৰোধৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱৰ শৰাইঘাট দলঙৰ সমীপত অসম পৰ্যটন নিগমে নিৰ্মাণ কৰা অত্যাধুনিক শৰাইঘাট লেক পাৰ্কখন আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সন্ধিয়া এই অত্যাধুনিক উদ্যানখন মুকলি কৰিব। ইয়াৰ বাবে প্ৰশাসনে যাৱতীয় ব্যৱস্থা সম্পূৰ্ণ কৰি তুলিছে।

০০০০০০

অসমৰ আগশাৰীৰ বাতৰি কাকত **দৈনিক অসমে** হীৰক জয়ন্তী বৰ্ষ অতিক্ৰম কৰি আজি ৬১ বছৰত পদাৰ্পণ কৰিছে। ১৯৬৫ চনৰ আজিৰ দিনটোতে দৈনিক অসমৰ প্ৰথম সংখ্যাটো প্ৰকাশ পাইছিল। দৈনিক অসমৰ হীৰক জয়ন্তী বৰ্ষ সমাপ্ত হোৱাৰ গৌৰৱোজ্জ্বল ক্ষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিভিন্নড়জনে কাকতখনৰ লগতে ইয়াৰ সৈতে জড়িত সকলো লোকলৈ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০

চৰাইদেউ জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী নামতোলা-হাতীকেম্প এলেকাত কালি চৰাইদেউ আৰক্ষী আৰু অসম ৰাইফল্‌ছে যুঁটীয়া অভিযান চলাই নিষিদ্ধ ঘোষিত সংগঠন এন এছ্ চি এন গোটৰ এজন সদস্যক আটক কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে সীমান্তৱৰ্তী এলেকাৰ এজন ব্যৱসায়ীৰ পৰা এন এছ্ চি এনে  ধন দাবী কৰা সন্দৰ্ভত লাভ কৰা তথ্যৰ ভিত্তিত আৰক্ষী আৰু অসম ৰাইফল্‌ছৰ দলটোৱে সেই ঠাইত অভিযান চলায়। কালি দিনৰ ভাগত ধন আদায়ৰ বাবে অহা আংকি কন্যাক নামৰ এন এছ্ চি এনৰ সদস্যজনক নিৰাপত্তা বাহিনীৰ দলে হাতে-লোটে ধৰিবলৈ সমৰ্থ হয়। পাছত সদস্যজনক চৰাইদেউ জিলা ছেচন ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱাই অধিক জেৰাৰ বাবে চৰাইদেউ আৰক্ষীয়ে দুদিনৰ জিম্মাত লয়।

০০০০০০

অ'ভেল টেষ্ট পেণ্ডুলাম সদৃশ স্থিতিত অৱস্থান কৰিছে। ভাৰত আৰু ইংলেণ্ডৰ মাজত এণ্ডাৰছন-তেণ্ডুলকাৰ শৃংখলাৰ পঞ্চম তথা অন্তিম টেষ্টৰ আজি অন্তিম দিনা জয়লাভৰ বাবে ইংলেণ্ডক প্ৰয়োজন ৪ উইকেটত ৩৫ ৰানৰ আৰু ভাৰতক প্ৰয়োজন অন্তিম চাৰিটা উইকেটৰ। আজি খেলখনৰ আৰম্ভণিতেই ইংলেণ্ড দলে পিট্‌ছত হেভী ৰ'লাৰ ব্যৱহাৰ কৰাৰ সুযোগ পাব। যাৰ ফলত ভাৰতীয় বেগী বলাৰসকল অসুবিধাৰ সন্মুখীন হ'ব। অৱশ্যে আজি ৪ অ'ভাৰ বল কৰাৰ পাছতে ভাৰতে নতুন বল ল'ব পাৰিব। কালি অপৰাজিত হৈ থকা জেমি স্মিথে দুই ৰানৰ পৰা আৰু অ'ভাৰটনে শূন্য ৰানৰ পৰা বেটিং আৰম্ভ কৰিব। কালি ভাৰতৰ হৈ প্ৰসিদ্ধ কৃষ্ণই তিনিটা, মহম্মদ ছিৰাজে দুটা আৰু আকাশদীপে ইংলেণ্ডৰ এটা উইকেট দখল কৰে। ইংলেণ্ডৰ হৈ জ' ৰুটে ১০৫ আৰু হেৰি ব্ৰুকে ১১১ ৰান কৰি নিজ দলক সুদৃঢ় স্থিতি প্ৰদান কৰে। ইংলেণ্ডৰ ক্ৰিছ্ ৱক্‌ছ্ বাউসীৰ আঘাতৰ বাবে ৰিটায়াৰ্ড হাৰ্ট হ'বলগীয়া হয়। খেলখনৰ স্ক'ৰসমূহ ঃ

ভাৰত – প্ৰথম ইনিংছ ২২৪ আৰু দ্বিতীয় ইনিংছ ৩৯৬ ৰান।

ইংলেণ্ড - প্ৰথম ইনিংছ ২৪৭ আৰু দ্বিতীয় ইনিংছ ৬ উইকেটৰ বিনিময়ত ৩৩৯ ৰান।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কালি গুৱাহাটীত অনুষ্ঠিত বৰ্ধিত কাৰ্য নিৰ্বাহক বৈঠকত দলটোৱে ২০২৬ চনৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কেতবোৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰস্তাৱ গ্ৰহণ কৰে। এই বাতৰি **অসমীয়া প্ৰতিদিন** কাকতৰ লগতে অন্যান্য কাকতেও সবিস্তাৰে প্ৰকাশ কৰিছে।

বহু হাজাৰ দলীয় কৰ্মী আৰু সমৰ্থকৰ উপস্থিতিত তামুলপুৰত অনুষ্ঠিত সভাত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তামুলপুৰ পূৰ্ণাংগ জিলা হ'ব বুলি ঘোষণা কৰাৰ লগতে ইউ পি পি এল - বি পি এফ

একত্ৰিত হোৱাটো বিচাৰে বুলি প্ৰকাশ কৰে। বাতৰিটোক **দৈনিক জনমভূমি** কাকতৰ লগতে প্ৰায়কেইখন কাকতে প্ৰকাশ কৰিছে।

ৰাজ্যৰ প্ৰায় ৪০ হাজাৰ প্ৰাথমিক বিদ্যালয়লৈ শিক্ষা বিভাগে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ধাৰ্য কৰা বাৰ্ষিক বিদ্যালয় অনুদানৰ ৫০ শতাংশ মুকলি কৰি দিছে। এই বাতৰিটোক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গোলাঘাট জিলাৰ সৰু পথাৰ সম জিলাৰ অন্তৰ্গত গেলাবিলত সংঘটিত এটা ঘটনাত দুজন কিশোৰক তালিবানী শাস্তি প্ৰদান কৰা অভিযুক্তই নিজেই আৰক্ষীৰ ওচৰত ধৰা দিয়ে। এই বাতৰি **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে নামবৰত ৩৫০ ৰো অধিক পৰিয়ালৰ উচ্ছেদৰ লগতে এহেজাৰ বিঘা বনভূমি পুনৰুদ্ধাৰ কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যৰ কেইবাখনো জিলাত বিগত কেইদিনমান ধৰি হৈ থকা বৰষুণে কৃষক ৰাইজক সকাহ দিছে। বৰষুণৰ অভাৱত কৃষিকাৰ্য কৰিব নোৱাৰা কৃষকসকল পুনৰ কৃষিভূমিত নামি পৰিছে। এই বাতৰি **দা ছেণ্টিনেল** কাকতৰ।

বিজেপি শাসিত ৰাজ্য চৰকাৰখনে অসমত কেৱল কৰ্পৰেট গোষ্ঠীৰ বাবে কাম কৰি আহিছে বুলি সাংসদ গৌৰৱ গগৈৰ এটা মন্তব্যৰে **দি আছাম ট্ৰিবিউন** কাকতে বাতৰি প্ৰকাশ কৰিছে।

সমাগত স্বাধীনতা দিৱস উপলক্ষে গুৱাহাটী মহানগৰ আৰক্ষীয়ে কিছু আগতীয়াকৈ সুৰক্ষাজনিত পদক্ষেপ দেখা গৈছে। **অসমীয়া খবৰ** কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে সন্ত্ৰাসবিৰোধী অনুশীলন অপাৰেচন আখলৰ সময়ত ৪৮ ঘণ্টাত ছজন উগ্ৰপন্থীক কাশ্মীৰত ভাৰতীয় সেনাই হত্যা কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

দৰং জিলাৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া তথা মঙলদৈ শান্তিপাৰা ১ নম্বৰ ৱাৰ্ড নিবাসী ডাঃ জোনালী চৌধুৰীৰ আজি নিচেই পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৬ বছৰ।

০০০০০০

সমাপ্ত